ইতিপূৰ্বে যিমান দিন তোমাৰ হায়েজ হৈছিল সেই পৰিমাণ দিন তুমি অপেক্ষা কৰিবা, তাৰ পিছত গোছল কৰিবা।

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ আব্দুৰ ৰহমান বিন আউফৰ স্ত্ৰী উম্মে হাবীবাহ বিন্তে জাহাশ্ব ৰাদ্বিয়াল্লাহু আনহাই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ধাৰাবাহিকভাৱে তেজ নিৰ্গত হোৱাৰ বিধান সম্পৰ্কে সুধিলে। তেতিয়া তেখেতে তেওঁক ক'লেঃ "ইতিপূৰ্বে যিমান দিন তোমাৰ হায়েজ
হৈছিল সেই পৰিমাণ দিন তুমি অপেক্ষা কৰিবা, তাৰ পিছত গোছল কৰিবা।" এতেকে ইয়াৰ পিছত
তেওঁ প্ৰত্যেক নামাজৰ সময়তে গোছল কৰিছিল।
[ছহীহ] [(মুছলিম)]

চাহাবীয়্য়া এজনী আহি নবী চাল্লাল্লাহু আলাইহি অছাল্লামক ধাৰাবাহিকভাৱে তেজ নিৰ্গত হোৱাৰ বিধান সম্পৰ্কে প্ৰশ্ন কৰিলে। তেতিয়া তেখেতে তেওঁক নিৰ্দেশ দিলে যে, এই বেমাৰ আৰম্ভ হোৱাৰ আগত, সাধাৰণতে তোমাৰ যিমান দিনলৈকে হায়েজ থাকিছিল, তুমি সেই পৰিমান দিনলৈকে নামাজ পঢ়াৰ পৰা বিৰত থাকিবা। ইয়াৰ পিছত গোছল কৰি নামাজ পঢ়া আৰম্ভ কৰিবা। কিন্তু তেওঁ স্বেচ্ছাই প্ৰত্যেক নামাজৰ সময়তে গোছল কৰিছিল।

https://sunnah.global/hadeeth/as/show/10015